**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰতীয় কৃষি গৱেষণা পৰিষদত ৰাষ্ট্ৰীয় প্ৰাকৃতিক কৃষি অভিযানৰ শুভাৰম্ভ কৰিব।

২। ভাৰতে চেমি-ক্ৰাইঅ'জেনিক ইঞ্জিন আৰু বৈদ্যুতিক প্ৰপালচনৰ দৰে গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ দিশত দ্ৰুতভাৱে অগ্ৰসৰ হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

৩। দেশৰ বিকাশত প্ৰযুক্তিগত বস্ত্ৰশিল্পৰ অৰিহণা আৰু ভূমিকা সন্দৰ্ভত আলোচনাৰ বাবে আজি বিহাৰত **প্ৰযুক্তিগত বস্ত্ৰশিল্প আৰু বিকশিত ভাৰত** সন্দৰ্ভত ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে।

৪। বিহাৰৰ পাটনা জিলাত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন ৫জন আহত হয়। আৰু

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰতীয় কৃষি গৱেষণা পৰিষদত ৰাষ্ট্ৰীয় প্ৰাকৃতিক কৃষি অভিযান এন এম এন এফ শুভাৰম্ভ কৰিব । কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে যোৱা সপ্তাহত ৰাজ্যৰ কৃষি মন্ত্ৰীসকলৰ সৈতে হোৱা বৈঠকৰ পাছত এই বিষয়ে ঘোষণা কৰে।

কেন্দ্ৰীয় কেবিনেটে যোৱা বছৰৰ নৱেম্বৰত কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি হিচাবে এই অভিযানক অনুমোদন জনাইছিল। এই আঁচনিৰ বাবে পঞ্চদশ বিত্ত আয়োগ (২০২৫–২৬) পৰ্যন্ত ব্যয় হৈছে ২ হাজাৰ ৪৮১ কোটি টকা, ইয়াৰে কেন্দ্ৰৰ অংশ হৈছে ১ হাজাৰ ৫৮৪ কোটি টকা আৰু ৰাজ্যসমূহে ৮৯৭ কোটি টকা ব্যয় কৰিছে।

ৰাষ্ট্ৰীয় প্ৰাকৃতিক কৃষি অভিযানৰ লক্ষ্য হৈছে মাটিৰ স্বাস্থ্য উন্নত কৰা আৰু পৰিৱেশ তন্ত্ৰ পুনৰুদ্ধাৰ কৰা। কৃষকৰ বাবেকৃষিকাৰ্য্যৰ ব্যয় হ্ৰাস কৰি জলবায়ু অধিক স্থিতিস্থাপক কৰি তোলাও ইয়াৰ অন্যতম লক্ষ্য। এনএমএনএফে বহনক্ষমতা, জলবায়ুৰ স্থায়িত্ব আৰু নিৰাপদ খাদ্যৰ দিশত বৈজ্ঞানিকভাৱে সমৰ্থিত পদ্ধতিৰে কৃষি পদ্ধতি শক্তিশালী কৰাত মনোনিৱেশ কৰে

ooooo

সমগ্ৰ দেশতে আজি দ্বিতীয় ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰা হৈছে। ২০২৩ চনৰ ২৩ আগষ্টত চন্দ্ৰযান-৩ অভিযানৰ বিক্ৰম লেণ্ডাৰৰ সফল অৱতৰণ আৰু চন্দ্ৰত প্ৰজ্ঞান ৰ'ভাৰ সফলভাৱে স্থাপনক সুঁৱৰি এই দিৱস পালন কৰা হয়।

এই উদযাপনৰ অংশ হিচাপে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰ'ই কালি নতুন দিল্লীত দ্বিতীয় ৰাষ্ট্ৰীয় মহাকাশ আলোচনা অনুষ্ঠিত কৰে। বহুকেইটা মন্ত্ৰালয়, ব্যক্তিগত অংশীদাৰ, শিক্ষাপ্ৰতিষ্ঠান, ষ্টাৰ্টআপ আৰু বিশেষজ্ঞই অনাগত দশকত ভাৰতৰ মহাকাশ ব্যৱস্থা ৰূপৰেখা সন্দৰ্ভত আলোচনা কৰে। অনুষ্ঠানত দিয়া ভাষণত ইছৰ'ৰ অধ্যক্ষ ভি নাৰায়ণে ১৯৬৩ চনত থুম্বাত ৰকেট উৎক্ষেপনৰ পৰা আৰম্ভ কৰি বৰ্তমান মহাকাশ খণ্ডত ভাৰতৰ নেতৃত্বৰ গোলকীয় স্বীকৃতিলৈকে দেশৰ উল্লেখনীয় মহাকাশ যাত্ৰাত আলোকপাত কৰে। ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে মহাকাশ বিভাগে যুৱ চামক মহাকাশ বিজ্ঞানৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ উদ্দেশে সমগ্ৰ দেশতে গোটেই মাহ জুৰি এই দিৱস উদযাপনৰ আয়োজন কৰিছে।

ooooo

ভাৰতে চেমি-ক্ৰাইঅ'জেনিক ইঞ্জিন আৰু বৈদ্যুতিক প্ৰপালচনৰ দৰে গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ দিশত দ্ৰুতভাৱে অগ্ৰসৰ হৈছে আৰু অতি শীঘ্ৰে দেশে গগনযান অভিযান আৰম্ভ কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে কয় যে অনাগত সময়ত ভাৰতে নিজৰ মহাকাশ ষ্টেচন স্থাপন কৰিব। এটা ভিডিঅ' বাৰ্তাযোগে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে বিজ্ঞানী আৰু সকলো যুৱক-যুৱতীকে ধৰি মহাকাশ খণ্ডৰ সৈতে জড়িত সকলোলৈ শুভেচ্ছা জ্ঞাপন কৰে। শ্ৰীমোদীয়ে কয় যে অতি কম সময়তে ৰাষ্ট্ৰীয় মহাকাশ দিৱস যুৱচামৰ মাজত আকৰ্ষণীয় আৰু অতি উৎসাহৰ অনুষ্ঠান হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে কয় ,যে মহাকাশ খণ্ডই এটাৰ পাছত আনটো মাইলৰ খুটি অতিক্ৰম কৰিছে আৰু বিগত ১১ বছৰত চৰকাৰে এই খণ্ডত বহু সংস্কাৰ সাধন কৰিছে। মহাকাশ প্ৰযুক্তিক দেশৰ প্ৰশাসনৰ এটা অংশ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে শস্য বীমা আঁচনিত উপগ্ৰহ আধাৰিত তথ্য জৰিত হৈ আছে, মাছমৰীয়াসকলে উপগ্ৰহৰ জৰিয়তে নিৰাপদ তথ্য লাভ কৰে আৰু উপগ্ৰহৰ তথ্যৰ ভিত্তিতে দুৰ্যোগ ব্যৱস্থাপনা সমৰ্থন লাভ কৰা গৈছে। শ্ৰীমোদীয়ে মহাকাশ খণ্ডত ভাৰতৰ প্ৰগতিয়ে সাধাৰণ লোকৰ জীৱন সহজ কৰি তুলিছে বুলি মন্তব্য কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে মহাকাশ বিজ্ঞানী আৰু অভিযন্তাসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে চন্দ্ৰযান-৩ অভিযানে মহাকাশ অন্বেষণৰ নতুন পথ প্ৰসস্ত কৰিলে আৰু দেশৰ যুৱ চামৰ মাজত উদ্ভাৱনৰ নতুন ধাৰণা জগাই তুলিলে।

ooooo

উত্তৰাখণ্ডৰ চাম'লি জিলাত যোৱা নিশা ডাৱৰ বিস্ফোৰণৰ ফলত হোৱা প্ৰৱল বৰষুণত থাৰালি তেহচিলৰ বিস্তৰ ক্ষয়-ক্ষতি হয়। মহকুমা দণ্ডাধীশৰ বাসগৃহ আৰু তেহচিলৰ কাৰ্যালয়কে ধৰি বহু চৰকাৰী ভৱন, বাসগৃহ আৰু দোকান-পহাৰৰ লগতে ভালেসংখ্যক বাহনো ক্ষতিগ্ৰস্ত হয়। প্ৰৱল বৰষুণৰ ফলত চাম'লি জিলাৰ কাষৰীয়া কেডাৰবাগৰ, ৰাডিবাগৰ আৰু চেপাৰ'কে ধৰি বহুকেইটা অঞ্চল ক্ষতিগ্ৰস্ত হোৱা বুলি আকাশবাণী ডেৰাডুণৰ সংবাদদাতাই জনাইছে। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে থাৰালি তেহচিলৰ সকলোবোৰ বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰ বন্ধ ঘোষণা কৰিছে।

মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে জিলা প্ৰশাসন, ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনী আৰু আৰক্ষীয়ে ইতিমধ্যে ঘটনাস্থলীত সাহায্য আৰু উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। শ্ৰী ধামিয়ে কয়, যে তেওঁ জিলা প্ৰশাসনৰ সৈতে সঘন যোগাযোগত আছে আৰু পৰিস্থিতি নিৰীক্ষণ কৰি আছে। চাম'লিৰ অতিৰিক্ত জিলা দণ্ডাধীশ বিবেক প্ৰকাশে আকাশবাণীৰ বাতৰি বিভাগক জনোৱা মতে ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে সাহায্য শিবিৰ স্থাপন কৰা হৈছে।

ইপিনে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত প্ৰৱল বৰষুণ অব্যাহত আছে। বতৰ বিজ্ঞান বিভাগে ডেৰাডুন, নাইনিটাল, বাগেশ্বৰ আৰু পিথুৰাগড়ত প্ৰৱল বৰষুণৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে।

ooooo

দেশৰ বিকাশত প্ৰযুক্তিগত বস্ত্ৰশিল্পৰ অৰিহণা আৰু ভূমিকা সন্দৰ্ভত আলোচনাৰ বাবে আজি বিহাৰৰ পাটনাত **প্ৰযুক্তিগত বস্ত্ৰশিল্প আৰু বিকশিত ভাৰত** সন্দৰ্ভত ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে। পাটনাৰ জ্ঞান ভৱনত আয়োজিত এই অনুষ্ঠানত ঔদ্যোগিক সংস্থা, চৰকাৰী বিভাগ, ষ্টাৰ্টআপ, গৱেষক আৰু আন আন অংশীদাৰসকলে বিভিন্ন খণ্ডত ছিনথেটিক আঁহৰ ব্যৱহাৰৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানত বিশেষজ্ঞ আৰু অংশীদাৰসকলে দেশৰ দ্ৰুত উন্নয়নৰ হকে আন্তঃগাথনি, স্বাস্থ্যসেৱা, কৃষি, পৰিবেশ বহনক্ষমতা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত প্ৰযুক্তিগত বস্ত্ৰশিল্প এটা গুৰুত্বপূৰ্ণ খণ্ড বুলি উল্লেখ কৰে। অনুষ্ঠানত বস্ত্ৰশিল্প দপ্তৰৰ ৰাজ্য মন্ত্ৰী গিৰিৰাজ সিং, পবিত্ৰ মাৰ্ঘেৰিতা আৰু বিহাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰী শ্ৰৱন কুমাৰ উপস্থিত থাকে।

ooooo

পঞ্জাবৰ হুছিয়াৰপুৰত কালি নিশা এখন তেল ভৰ্তি টেংকাৰত ঘটা বিস্ফোৰণৰ ফলত দুজন লোক নিহত হোৱাৰ লগতে আন ২৩জন লোক গুৰুতৰভাৱে অগ্নিদগ্ধ হয়। আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি বিস্ফোৰণৰ ফলত কাষৰীয়া দোকান-পোহাৰ আৰু বাসগৃহতো অগ্নিসংযোগ হোৱাৰ ফলত মৃত্যু আৰু অগ্নিদগ্ধ হোৱা লোকৰ সংখ্যা বৃদ্ধি পায়। হুছিয়াৰপুৰ অসামৰিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসা বিষয়াগৰাকীয়ে জনোৱা মতে কালি নিশা অগ্নিদগ্ধ হোৱা ২৩জন লোকক চিকিৎসালয়খনত ভৰ্তি কৰোৱা হয়। ইয়াৰে ১৫জনক বিশেষ চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হৈছে। বিস্ফোৰণৰ পাছতে এই পথছোৱা জিলা প্ৰশাসনে পুনৰ নিৰ্দেশ নিদিয়া পৰ্যন্ত বন্ধ কৰি ৰাখিছে।

ooooooo

বিহাৰৰ পাটনা জিলাত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন ৫জন আহত হয়। আৰক্ষীয়ে জনোৱা মতে ডানিয়াৱান আৰক্ষী চকীৰ অন্তৰ্গত চিগ্ৰীয়াৱা ষ্টেচনৰ সমীপৰ ৰাজ্যিক ঘাইপথত এখন ট্ৰাকে এখন অ'ট'ৰিক্সাক মহটীয়া নিয়াৰ ফলত ৮ জন লোকৰ ঘটনাস্থলীতে মৃত্যু হয়। আহত লোক কেইজনক পাটনাৰ পি এম চি এইচ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। দুৰ্ঘটনাটোত মৃত্যু হোৱা আটাইকেইজন লোক নালন্দা জিলাৰ হিলচা আৰক্ষী চকীৰ অন্তৰ্গত এলেকাৰ নিবাসী আছিল বুলি আৰক্ষীয়ে জনাইছে। এই যাত্ৰীসকল গংগা নদীত পৱিত্ৰ স্নানৰ বাবে ফাটোহাৰ ত্ৰিবেনী ঘাট অভিমুখে গৈ আছিল।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ আগষ্টত চীন আৰু জাপান ভ্ৰমণলৈ যাব। ২৯ আৰু ৩০ আগষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে পঞ্চদশ ভাৰত-জাপান বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰিব। এয়া হ'ব শ্ৰীমোদীৰ জাপানৰ প্ৰধানমন্ত্ৰী

শ্বিগেৰো ইশ্বিবাৰ সৈতে প্ৰথমখন সন্মিলন। এই ভ্ৰমণকালত দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ভাৰত আৰু জাপানৰ মাজত প্ৰতিৰক্ষা, নিৰাপত্তা, বাণিজ্য আৰু অৰ্থনীতি, প্ৰযুক্তি আৰু উদ্ভাৱনকে ধৰি বিভিন্ন দিশ সন্দৰ্ভত পৰ্যালোচনা কৰিব।

০০০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজি কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব আৰু যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে যোৱা বুধবাৰে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে যোৱা মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০